## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ তৃতীয় বিষয় ঃ ভাষা-১ (অসমীয়া) চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ চিনিব পৰা, যুক্তাক্ষৰ শুনি লিখিব পৰা, যুক্তাক্ষৰযুক্ত শব্দ বাক্যত লিখিব পৰা।
- ⇨ ভ্ৰমণ কাহিনী, ঐতিহাসিক স্থানৰ বিষয়ে সাধাৰণভাৱে প্ৰকাশ কৰিব পৰা।
- ⇨ যিকোনো সৃজনীমূলক লিখনি লিখিব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) শিৱসাগৰ চাওঁ আহা | - | পাঠ নং ১২ |
| খ) কামৰ সৰু-বৰ নাই | - | পাঠ নং ১৩ |
| গ) মৰমৰ আই | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। NCF-2005 য়ে লিখন কেৱল ভাষা বিষয়ৰ শিক্ষাৰ ক্ষেত্ৰতে সীমাবদ্ধ নাৰাখি বিদ্যায়তনিক আন সকলো বিষয়তে লিখন কৌশল পৰিপুষ্ট কৰি সেই বিষয়সমূহৰ অৰ্থবোধ জন্মিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাৰ বিকাশ হোৱাটো বিচাৰিছে।

লিখন ভাষা শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কৌশল। এই কৌশল আয়ত্ত নহ'লে ভাষা শিক্ষা সম্পূৰ্ণ নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ হিচাপে চিহ্নিত হোৱা দিশবোৰ হ'ল - (ক) বৰ্ণাশুদ্ধি (খ) ভুল যুক্তাক্ষৰ (গ) যুক্তবৰ্ণবোৰ চিনাক্ত কৰাত অপাৰগতা ইত্যাদি। সেয়ে লিখন দক্ষতা আহৰণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা কাৰকসমূহ চিনাক্ত কৰি, শিকন কাৰ্যত সহায় হোৱাকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰয়োজনীয় বুলি ভবা শিকন পৰিকল্পনা আৰু অনুশীলনীৰে সমলটি সজাবলৈ বিচৰা হৈছে। আশা কৰা হৈছে যে ইয়াৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশল বা লিখন দক্ষতাৰ বিকাশ সাধন কৰিব পৰা হ'ব।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম -**

- ⇨ মাতৃভাষাৰ ভেটি সুদৃঢ় কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক দিশসমূহ ভালদৰে আয়ত্ত কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ লিখন অৰ্হতাৰ প্ৰয়োজন।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ চিনাক্তকৰণ, বৰ্ণ বিশ্লেষণ, যুক্তাক্ষৰ ভঙা আৰু জোৰা লগোৱাৰ উপৰি যুক্তাক্ষৰ নিজৰ লিখনিত ব্যৱহাৰ কৰিব পৰাটো দৰ্কাৰী কথা।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে সৃজনীমূলক লিখনি, সাধু আদি বৰ্ণনা কৰি সহজ ভাষাত লিখিব পৰাটো আৱশ্যকীয় কথা।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

- ⇨ সকলো ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে ক্ৰিয়া-কলাপ, অনুশীলনৰ এক আগতীয়া পৰিকল্পনা কৰিব পৰিম।
- ⇨ আৰম্ভণিৰে পৰা সঠিকভাৱে লিখনৰ গুৰুত্ব দিয়াৰ বাবে সচেষ্ট হ'ব পাৰিম।
- ⇨ লিখনৰ দুৰ্বল দিশ বুলি চিনাক্ত হোৱা দিশসমূহ পুণঃ পুণঃ অভ্যাস আৰু অনুশীলনৰ যোগেদি সেই দুৰ্বলতা দূৰ কৰিবলৈ চেষ্টা কৰিব পাৰিম।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে আমি শিক্ষকসকলেও স্ব-মূল্যায়নৰ সুযোগ লাভ কৰিম।

➡ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**লিখন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

শ্ৰেণীকোঠাত শিক্ষাৰ্থীক লিখন কাৰ্য, যেনে, — শ্ৰুতলিপি, বানান, প্ৰশ্নৰ উত্তৰ, বোৰ্ডত লিখন আদি কৰিবলৈ দিলে দেখা যায় কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বানান ভুল কৰে, কিছুমানে বাক্যটো সম্পূৰ্ণকৈ লিখিব নোৱাৰে, কিছুমানে বৰ্ণৰ সঠিক প্ৰয়োগ — (ঃ ) (ং ) আদিৰ ব্যৱহাৰ নাজানে, যতি বিৰাম চিনৰ ব্যৱহাৰত ভুল কৰে। বিশেষকৈ নিজৰ লিখনিত যুক্তাক্ষৰ প্ৰয়োগত এই ভুল বেছি হয়। পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ শুদ্ধকৈ ক'ব-লিখিব নোৱাৰে। এনে ক্ষেত্ৰত শিক্ষক শিক্ষয়িত্ৰী হিচাপে আমি কেনে ধৰণৰ ব্যৱস্থা ল'ব পাৰো?

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) পাঠত থকা যুক্তাক্ষৰ, তিনিটা অক্ষৰৰ বৰ্ণ চিনাক্ত কৰিব পৰা, ভাঙিব আৰু জোৰা লগাব পৰা, নিজৰ বাক্যত তাক প্ৰয়োগ কৰিব পৰা। | ➡ছবি<br>➡ বৰ্ণৰ চাৰ্ট<br>➡যুক্তাক্ষৰ কাৰ্ড | ক্ৰিয়া-কলাপ | ১) তলৰ শব্দবোৰত থকা যুক্তাক্ষৰ সমূহৰ পৰা দুই তিনি অক্ষৰ আৰু মাত্ৰা যুক্ত বৰ্ণসমূহ বাচি উলিয়াই বৰ্ণ বিশ্লেষণ কৰা।<br>ক) পূৰ্বাহ্ন<br>খ) সান্ত্বনা<br>গ)খৰ্গ<br>ঘ) উজ্জ্বল<br>ঙ) আহ্নিক (পাঠ ঃ ১২) | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) পাঠত ব্যৱহাৰ হোৱা অযোগ বাহ বৰ্ণসমূহৰ ৰূপ জানি এনেবৰ্ণ (ং) আৰু (ঃ) ৰ প্ৰয়োগ শুদ্ধভাৱে কৰিবলৈ শিকা | ➡বৰ্ণ /শব্দ কাৰ্ড | ক্ৰিয়া-কলাপ | তলত দিয়া অযোগবাহ বৰ্ণযুক্ত শব্দবোৰেৰে একোটা বাক্য লিখা।<br>ক) নামদাং<br>খ) প্ৰাতঃসভা<br>গ) বেবেৰিবাং<br>ঘ) ৰংঘৰ<br>ঙ) পুণঃ পুণঃ<br>চ) হেং দাং (পাঠ ঃ ১৩) | |
| ৩) পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ শুদ্ধভাৱে লিখিব পৰা। | ➡ ছবিযুক্ত শব্দ/বাক্য চাৰ্ট | ক্ৰিয়া-কলাপ | তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা।<br>ক) আহোম ৰজাই ব্যৱহাৰ কৰা যুদ্ধৰ প্ৰধান আহিলাবোৰ কি কি?<br>খ) জিকিৰ কি?<br>গ) ৰুদ্ৰসিংহৰ পিতৃৰ নাম কি?<br>ঘ) প্ৰধান সেনাপতিজনৰ নাম কি আছিল? | |
| ৪) ক) পাঠত থকা বিভক্তি চিনবোৰ চিনিব পৰা।<br><br>খ) কবিতাত ৰূপ সলনি হোৱা শব্দবোৰ চিনাক্ত কৰা। | ➡ বাক্য চাৰ্ট<br><br>➡ বাক্য চাৰ্ট | ক্ৰিয়া-কলাপ | ৪) তলত দিয়া বাক্যসমূহৰ পৰা বিভক্তি সমূহ বাচি উলিওৱা আৰু কি বিভক্তি চিন প্ৰয়োগ হৈছে লিখা।<br>ক) এশিঙীয়া গড়ৰ বাবে কাজিৰঙা বিখ্যাত।<br>খ) নামদাং সাঁকো গৌৰীসাগৰৰ ওচৰত আছে।<br>গ) আমাৰ প্ৰতি যাৰ মৰম অসীম<br>ঘ) পুনীহঁত গৰমৰ বন্ধত শিৱসাগৰলৈ ফুৰিবলৈ গৈছিল।<br>তলত দিয়া শব্দবোৰ নিজে জনা ৰূপলৈ সলনি কৰা —মউসনা, হইছিলো, কেনেকই, ভকতি, গই | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

কঠালমুড়ী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীমান মুকুল শৰ্মাই তৃতীয় শ্ৰেণীত ভাষা বিষয়ক পাঠ পঢ়ুৱাই থাকোঁতে মন কৰিছিল যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও আখৰ চিনি নাপায়; ফলত পাঠভিত্তিক প্ৰশ্ন সমূহৰ উত্তৰ বুজি পালেও তাক সজাই শুদ্ধৰূপত লিখিবলৈ সমৰ্থ নহয়।

ছাত্ৰ-ছাত্ৰীয়ে বুজি নোপোৱাৰ ক্ষেত্ৰত তেখেতে কিছুমান কাৰণ চিনাক্ত কৰিলে —

- ⇨ বানানৰ সীমিত ধাৰণা
- ⇨ গতানুগতিক পাঠদান কাৰ্য।
- ⇨ যুক্তাক্ষৰৰ সঠিক ধাৰণা বা প্ৰয়োগৰ অভাৱ।

শ্ৰীমান শৰ্মাই পাঠকেইটা পঢ়ি যুক্তাক্ষৰ (পাঠ নং- ২২) সলনি হৈ যোৱা বৰ্ণবোৰ ছাত্ৰ-ছাত্ৰীৰ আয়ত্তলৈ আনিবলৈ পাঠত থকা আৰু পাঠ বহিৰ্ভূত যুক্তাক্ষৰ বাচি উলিয়ালে। তেওঁ এখন শব্দ/বাক্যৰ তালিকা প্ৰস্তুত কৰিলে।

| শব্দ /বাক্য তালিকা (চাৰ্ট) | | | |
|---|---|---|---|
| **যুক্তাক্ষৰ** | **অৰ্থ** | **বৰ্ণ বিশ্লেষণ** | **বাক্য** |
| চিহ্ন<br>নক্সা<br>আস্থান<br>ৰিক্সা<br>বিষ্ণু<br>ৰুদ্ৰসিংহ | চিন | হ + ন = হ্ন | ‘চিহ্নযাত্ৰা’ শঙ্কৰদেৱৰ সৃষ্টি। |

শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ৪/৫ জনীয়া দলত ভাগ কৰি লৈছিল। প্ৰথমে শিক্ষকে তালিকাত থকা যিকোনো এটা যুক্তাক্ষৰযুক্ত শব্দ ব’ৰ্ডত লিখি দিছিল। প্ৰথম দলৰ যিকোনো এজনে আহি ব’ৰ্ডত লিখি দিয়া শব্দটোৰ অৰ্থ লিখিছিল। এইবাৰ দ্বিতীয় দলৰ এজনে আহি মূল শব্দটোত থকা যুক্তাক্ষৰটো ভাঙি দেখুৱাইছিল। পুনৰ তৃতীয় দলৰ এজনে আহি সেই যুক্তাক্ষৰ থকা শব্দেৰে এটা অৰ্থপূৰ্ণ বাক্য লিখিছিল। এই ক্ষেত্ৰত শিক্ষকে ছাত্ৰ-ছাত্ৰীক সহায় কৰি দিছিল। উদাহৰণ স্বৰূপে — শিক্ষকে ব’ৰ্ডত ‘চিহ্ন’ শব্দটো লিখি দিছিল, প্ৰথম দলে ইয়াৰ অৰ্থ (চিন)লিখি দিছিল; দ্বিতীয় দলে হ + ন = হ্ন বুলি যুক্তাক্ষৰ ভাঙি লিখিছিল আৰু তৃতীয় দলে ‘চিহ্ন’ শব্দটো ব্যৱহাৰ কৰি ‘চিহ্ন যাত্ৰা শংকৰদেৱৰ সৃষ্টি’ বুলি বাক্যটো লিখিছিল। এনে কাৰ্যৰ দ্বাৰা দেখা গ’ল যে, তেওঁলোকৰ মাজৰ দুই এজনৰ বাহিৰে বাকীখিনি ছাত্ৰ-ছাত্ৰীয়ে উদ্যমেৰে ক্ৰিয়া-কলাপত ভাগ লৈছে আৰু আনন্দও পাইছে। লিখন কৌশল বিকাশৰ বাবে শক্তিশালী ক্ৰিয়া-কলাপেই হ’ল শ্ৰুতলিপি লিখন। ই শব্দ, বাক্যৰ উচ্চাৰণৰ স্পষ্টতা আৰু মধুৰতা অনাৰ উপৰিও বৰ্ণাশুদ্ধি দূৰীকৰণত সহায় কৰে। সেইবাবে শ্ৰুতলিপি দিব লাগে। এনেদৰে মুকুল শৰ্মা ছাৰে ২২ নং পাঠটো ক্ৰিয়া-কলাপৰ সহায়ত আদান-প্ৰদান কৰি সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পাৰিছিল। এই গোটেই ক্ৰিয়া-কলাপটো কৰিবলৈ ৬ টা পিৰিয়দ ব্যৱহাৰ কৰিছিল।

***বিঃ দ্ৰঃ - শ্ৰেণীকোঠাত থকা বিশেষভাবে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব আৰু অনুপস্থিত থকা সকল যাতে বিদ্যালয়ত উপস্থিত থাকে তাৰ বাবে পদক্ষেপ ল’ব লাগিব।***

**চন্তা কৰি চাওঁ আহক ঃ**

ক) শ্ৰীমান মুকুল শৰ্মাই বৰ্ণাশুদ্ধি দূৰীকৰণত ইমান গুৰুত্ব দিয়াৰ কাৰণ কি হ’ব পাৰে?

খ) পাঠত থকা স্বত্বেও নিজাকৈ যুক্তাক্ষৰযুক্ত শব্দ তালিকা প্ৰস্তুত কৰাৰ কাৰণ কি?

গ) তেওঁ সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰিব পাৰিছিলনে?

**ক্রিয়া-কলাপ ঃ**

১৩নং পাঠ 'কামৰ সৰু বৰ নাই' ৰ পাঠৰ আলমত যিকোনো পাঠভিত্তিক প্ৰশ্নৰ সহজে উত্তৰ লিখিব পৰাকৈ আৰু সৃজনীশীল যিকোনো লিখনিৰ বাবে প্ৰেৰিত কৰিবলৈ তলৰ ক্রিয়া-কলাপসমূহ অনুশীলন কৰাব পাৰি। ইয়াৰ বাবে শৰ্মা চাৰে কি কি কৰিলে চাওঁ আহক —

শিক্ষকে দৈনন্দিন জীৱনত কৰিব পৰা কামবোৰৰ এক বিৱৰণী কৈ যাব আৰু ছাত্ৰ-ছাত্ৰীসকলক শুনিবলৈ দিব। পুনৰ ছাত্ৰ-ছাত্ৰীসকলক পুৱা আৰু গধূলি সাধাৰণতে কৰা ঘৰুৱা কাম-বনৰ বিষয়ে প্ৰত্যেককে ক'বলৈ দিব পাৰি। প্ৰয়োজনবোধে প্ৰশংসাও কৰিব। ইয়াৰ পিছত এই সৰু-বৰ কামবোৰে কিদৰে সিহঁতক তৎপৰ কৰি ৰখাৰ উপৰিও স্বাৱলম্বী কৰিব পাৰে তাৰ ধাৰণা দিব। পাঠটো অধিক গতিশীল কৰিবলৈ তলৰ প্ৰশ্নসমূহ মৌখিকভাৱে সুধিব।

প্ৰশ্নসমূহ ঃ

(ক) তোমালোক ৰাতিপুৱা কেইবজাত বিচনাৰ পৰা উঠা ?
(খ) প্ৰাত্যহিক কোনবোৰ কাম নিজে কৰা ?
(গ) বিদ্যালয়লৈ অহাৰ আগেয়ে নিজৰ কামবোৰ ভালদৰে কৰানে ?
(ঘ) বন্ধৰ দিনত বা আন দিনত মাৰা-দেউতাৰাক ঘৰুৱা কামত সহায় কৰি দিয়ানে ?
(ঙ) যদি কৰা তেন্তে এই কামবোৰ কৰি মনত কি অনুভৱ কৰা ?
(চ) নিজৰ পদবীক লৈ গৰ্ব নকৰি সাধাৰণ কাম কৰিবলৈ আগবাঢ়ি অহা ব্যক্তিজন কোন আছিল বাৰু ?

ওপৰোক্ত প্ৰশ্নসমূহৰ উত্তৰ মৌখিকভাৱে পোৱাৰ পিছত শিক্ষকে মূল্যায়ন কৰি শুধৰাই দিব পাৰে। এনেদৰে ছাত্ৰ-ছাত্ৰীসকলক মৌখিকভাৱে জড়িত কৰি লিখিবলৈ উৎসাহিত কৰিব পাৰে। মৌখিকভাৱে সোধাৰ পাছত তেওঁলোকক ৰাতিপুৱা শুই উঠাৰ পৰা বিদ্যালয়লৈ অহাৰ আগলৈকে কি কি কাম কৰিলে সেই বিষয়ে প্ৰত্যেককে লিখিবলৈ দিব পাৰে। শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ লিখিছেনে নাই নিৰীক্ষণ কৰি ভুল হ'লে পুনৰ লিখিবলৈ দিব পাৰে।

**সাৰাংশ ঃ**

বিভিন্ন ধৰণৰ ক্রিয়াকলাপ আৰু পৰ্যাপ্ত অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশ সাধন কৰিব পাৰিছে। ক্রিয়াকলাপৰ জৰিয়তে যুক্তাক্ষৰ সম্পৰ্কে সহজ ধাৰণা মনলৈ আনি ল'ব পাৰিছে। বৰ্ণনা কৰি যিকোনো মনৰ ভাৱ লিখিবলৈ উৎসাহ পাইছে আৰু লিখনৰ জঠৰতা কমাবলৈ সক্ষম হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কৰি চাওঁ আহাচোন—

⇨ দৈনন্দিন জীৱনত মানুহে সহজে কৰিব পৰা কামবোৰৰ নাম লিখা। লগতে এনে কামে আমাক কিদৰে সহায় কৰে বুজাই লিখা।

১) তলৰ শব্দবোৰত থকা যুক্তাক্ষৰ সমূহৰ পৰা দুই বৰ্ণযুক্ত আৰু ত্ৰিবৰ্ণযুক্ত শব্দসমূহ বাচি উলিয়াই বৰ্ণ বিশ্লেষণ কৰা।

ক) পূৰ্বাহ্ন খ) সান্ত্বনা (গ)খড়্গ (ঘ) উজ্জ্বল (ঙ) আহ্নিক

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

১) তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা—

ক) আহোম ৰজাই ব্যৱহাৰ কৰা যুদ্ধৰ প্ৰধান আহিলাবোৰ কি কি ?
খ) জিকিৰ কি ?
গ) ৰুদ্ৰসিংহৰ পিতৃৰ নাম কি ?
ঘ) প্ৰধান সেনাপতিজনৰ নাম কি আছিল ?

২) তলত দিয়া অযোগবাহ বৰ্ণযুক্ত শব্দবোৰেৰে একোটা বাক্য লিখা—

ক) নামদাং
খ) প্ৰাতঃসভা
গ) বেবেৰিবাং
ঘ) ৰংঘৰ
ঙ) পুনঃ পুনঃ
চ) হেংদাং

৩) তলত দিয়া শব্দবোৰৰ যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা—

শ্রদ্ধা ভক্তি স্নেহ কুণ্ঠাবোধ

৪) তলত দিয়া দুটা বাকচৰ 'ক' বাকচৰ পৰা এটা আৰু 'খ' বাকচৰ পৰা এটা শব্দ লৈ বাক্যটো সম্পূৰ্ণকৈ সাজা—

| **'ক' বাকচ** | **'খ' বাকচ** |
|---|---|
| চাইকেল........... | ...........তুলিছে |
| কঠীয়া........... | ...........ৰান্ধিছে |
| ভাত........... | ...........চলাইছে |
| ডবা........... | ...........ৰুইছে |
| পানী............. | ...........কোবাইছে |

**প্ৰসঙ্গ পুথি ঃ**

- ⇨ পাঠ্যপুথি — অংকুৰণ (তৃতীয় শ্ৰেণী)।
- ⇨ অসমীয়া ভাষা শিক্ষণ পদ্ধতি — মদন শৰ্মা।
- ⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

*****